নিশ্চয় অত্যাধিক অভিশাপকাৰীসকলে কিয়ামতৰ দিনা সাক্ষীও হ'ব নোৱাৰিব আৰু ছুপাৰিছকাৰীও হ'ব নোৱাৰিব।

আবু দাৰদা ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত তেওঁ কৈছেঃ মই ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামৰ পৰা শুনিছোঁ তেখেতে কৈছেঃ "নিশ্চয় অত্যাধিক অভিশাপকাৰীসকলে কিয়ামতৰ দিনা সাক্ষীও হ'ব নোৱাৰিব আৰু ছুপাৰিছকাৰীও হ'ব নোৱাৰিব।" [ছহীহ] [(মুছলিম)]

নবী চাল্লাল্লাহু আলাইহি অছাল্লামে হাদীছটোত জনাইছে যে, যিয়ে এনেকুৱা লোকক বেছি অভিশাপ কৰে যিজন অভিশাপৰ যোগ্য নহয়, তেনেকুৱা লোক হৈছে দুটা শাস্তিৰ উপযুক্ত। প্ৰথমঃ ৰাছুলসকলে নিজৰ নিজৰ উম্মতক পৌঁচাই দিয়া ৰিছালতৰ সপক্ষে কিয়ামতৰ দিনা যি সাক্ষ্য গ্ৰহণ কৰা হ'ব সেইদিনা এনেকুৱা লোকে সাক্ষ্য দিব নোৱাৰিব, আনকি পৃথিৱীতো এনেকুৱা লোকৰ সাক্ষ্য গ্ৰহণ কৰিব নালাগে। কাৰণ এনেকুৱা লোক পাপকৰ্মত লিপ্ত। লগতে আল্লাহৰ পথত শ্বহীদৰ মৰ্যাদাও লাভ নকৰিব। দ্বিতীয়ঃ কিয়ামতৰ দিনা মুমিনসকলে যেতিয়া জাহান্নামী হোৱা লোকৰ হৈ শ্বাফাআত কৰিব, তেতিয়া এই লোকসকলক সেই শ্বাফাআত কৰাৰ অধিকাৰো দিয়া নহ'ব।

http://www.sunnah.global/hadeeth/as/show/5495